2. বৰ্ণৰ গাঢ়তা (ডাঠ বা পাতল) —

3. বৰ্ণৰ কাৰিকৰী নাম —

4. পাতল ৰং —

5. ডাঠ ৰং —

30.3 ৰঙৰ আঁচনি ঃ

বিভিন্ন বৰ্ণ বা ৰঙলৈ কৰা পৰিকল্পনাকে ৰঙৰ আঁচনি বোলে। যেতিয়াই এটাতকৈ বেছি ৰং মিহলি কৰি গৈ থকা যায়, তেতিয়াই এটা ৰঙৰ আঁচনি আপোনা-আপুনি সৃষ্টি হয়।

বৰ্ণৰ কিছুমান নির্দিষ্ট আঁচনি আছে, যিবিলাকে সদায় মনোমোহা ফলৰ (effect) সৃষ্টি কৰে।

এই আঁচনিবিলাকে তলত উল্লেখ কৰা হ'ল—

(1) এক ৰঙৰ আঁচনি বা ম'নক্রমেটিক ৰঙৰ আঁচনি (Monochromatic colour scheme)।

(2) অনুৰূপ বা সাদৃশ্য থকা ৰঙৰ আঁচনি (Analogous colour scheme)

(3) বিপৰীতমুখী ৰঙৰ আঁচনি (contrast colour scheme)

(4) ভগ্ন বিপৰীত মুখী ৰঙৰ আঁচনি (split complementory)

(5) তিনি ৰঙা ৰঙৰ আঁচনি (Triad colour scheme)

(6) ত্রেটেদ ৰঙৰ আঁচনি (Tetted colour scheme)

(1) এক ৰঙৰ আঁচনি বা ম'নক্রমেটিক ৰঙৰ আঁচনি ঃ

এই আঁচনিত এবিধ ৰং ব্যৱহাৰ কৰা হয়। এটা ৰঙৰ টিণ্ট আৰু চেদেৰে এই আঁচনি গঠিত হয়। উদাহৰণস্বৰূপে এটা শেতা নীলা বৰ্ণৰ কোর্তাত তোমালোকে আকাশী নীলা, গাঢ় নীলা আৰু নেভিব্লুৰে মটিফ এম্ব্রইডেৰী কৰিব পাৰা নতুবা লক্ষ্ণৌৰ চিকেনকাৰী বগা কাপোৰত বগা মটিফেৰে কৰিব পাৰা। এইবিধ আঁচনি জিৰণিদায়ক তৈয়াৰ কৰিবলৈ সহজ আৰু সদায় কৃতকার্যতা লাভ কৰে।



চিত্র 30.3



চিত্র 30.4

(2) অনুৰূপ বা সাদৃশ্য থকা ৰঙৰ আঁচনি ঃ

বৰ্ণচক্ৰৰ ওচৰা-ওচৰি ৰংবিলাকক অনুৰূপ বা সাদৃশ্য থকা ৰঙৰ আঁচনি বোলে। এই বৰ্ণবিলাকৰ মাজত এটা সাধাৰণ (common) হিউ থাকে। যেনে— হালধীয়া ডালত এনে আঁচনি ব্যৱহাৰ কৰি এম্ব্ৰইডেৰী কৰিব পাৰি। এই আঁচনি অতি আকৰ্ষণীয় যদি তোমালোকে ইয়াত নীলা-সেউজীয়া এম্ব্ৰইডেৰীৰ চিন (dash) যোগ কৰা এইটোৱেই চকুত লগা আৰু মন আন্দোলিত হয়।

(3) বিপৰীতমুখী ৰঙৰ আঁচনি ঃ

ই দুটা ৰঙৰ আঁচনি। ইয়াত বৰ্ণচক্ৰৰ বিপৰীতমুখী ৰংবিলাক পোৱা যায়। যেনে— ৰঙা আৰু সেউজীয়া। তোমালোকে প্ৰস্তুত কৰা বৰ্ণচক্ৰলৈ লক্ষ্য কৰা। বৰ্ণচক্ৰত এনেকুৱা ঘোঁৰা কিমান আছে বাৰু? হয়, তোমাৰ গণনা শুদ্ধ হৈছে। বৰ্ণচক্ৰৰ 12 টা বৰ্ণৰ 6 ঘোঁৰা পাওঁ। আহাঁ, এইবিলাকৰ তালিকা প্ৰস্তুত কৰোঁ—

— হালধীয়া আৰু বেঙুনীয়া

— কমলা আৰু নীলা

— ৰঙা আৰু সেউজীয়া

— হালধীয়া-সেউজীয়া আৰু ৰঙা-বেঙুনীয়া

— নীলা-সেউজীয়া আৰু ৰঙা-বেঙুনীয়া

— নীলা সেউজীয়া আৰু ৰঙা-কলা

— নীলা-বেঙুনীয়া আৰু হালধীয়া কমলা।



চিত্ৰ 30.5

এই ৰঙৰ আঁচনিৰ পৰা বহুতে উজ্জ্বল আৰু মনোমোহা (cheerful) ফল পায়। বিশেষকৈ সৰু ল'ৰা-ছোৱালীৰ সাজ-পোছাক আৰু বিবাহৰ দৰে আনন্দময় উৎসৱত এ বৰ্ণ আঁচনিৰ ব্যৱহাৰ কৰিব পাৰি। যদি মূল্য আৰু প্ৰখৰতা এই ৰংবিলাকৰ সলনি কৰা হয়, তেন্তে বয়সস্থসকলৰ বাবে বা গ্ৰীষ্মকালৰ মাজৰ বাবে এই আঁচনি ল'ব পাৰি। উদাহৰণ স্বৰূপে এযোৰ ফুল গছৰ (bilac) এম্ব্ৰইডেৰী থকা লেমন চুট (lemon suit) গৰমৰ বাবে সতেজ দেখি। তেতিয়াই বিপৰীতমুখী ৰঙৰ আঁচনি লোৱা হয়, এই বিষয়ে সাৱধান হ'ব লাগে, যাতে 3টা ৰং আনটোতকৈ বেছি উজ্জ্বলতা (prominent) থকা হয়।

(4) ভগ্ন বিপৰীতমুখী ৰঙৰ আঁচনি ঃ

এই আঁচনি তিনিটা ৰঙৰ। ইয়াত যিকোনো এটা ৰঙৰ ব্যৱহাৰ কৰি ইয়াৰ পৰা বিপৰীত দিশে দুটা ৰং ভাগি যায়। যেনে— হালধীয়া, ৰঙা বেঙুনীয়া আৰু নীলা বেঙুনীয়া (বেঙুনীয়াটো হালধীয়া ৰঙৰ বিপৰীত)। ছোৱালীৰ এটা ফ্ৰকৰ নক্সাত হালধীয়া, কমলা আৰু ৰঙা কমলাৰে সূর্য্যত আৰু আকাশত নীলা ৰং ব্যৱহাৰ কৰি এম্ব্ৰইডেৰী কৰিব পাৰি। আকৌ, এই আঁচনিৰ ৰঙত

মূল্য আৰু প্ৰখৰতা সলনি কৰি চোৱাচোন, কেনেকৈনো সকলো বয়সৰ, কাৰণৰ (occasions) আৰু ঋতুৰ বাবে উপযোগী কৰিব পাৰি।



(A)

চিত্ৰ 30.6

(5) **ট্ৰায়েদ ৰঙৰ আঁচনি ঃ** এই আঁচনি তিনি বৰ্ণৰ। কিন্তু এই তিনিটা ৰং বৰ্ণচক্ৰত এনে ধৰণেৰে যুক্ত হয় যে এটা বিন্দুৰ পৰা সমবাহু ত্ৰিভূজৰ দৰে সমানে ওলায়।



(B)

চিত্ৰ 30.7



চিত্ৰ30.8

(6) ট্রেটেড ৰঙৰ আঁচনি ঃ চাৰিটা বৰ্ণেৰে এই আঁচনি সম্পূৰ্ণ হয়। এই ৰংকেইটাই বৰ্ণচক্ৰত এটা বৰ্ণ ক্ষেত্ৰ সৃষ্টি কৰে। জম্মু আৰু কাশ্মীৰৰ 'কাচিদা (Kondha), পশ্চিমবংগৰ 'কন্ধা' (Chanba Rumal), হিমাচল প্ৰদেশৰ 'চাম্বা ৰোমাল' আদিত এতিয়াও এই আঁচনিৰ ৰং ব্যৱহাৰ কৰা হয়। উদাহৰণ স্বৰূপে ঃ সেউজীয়া, হালধীয়া, কমলা, ৰঙা আৰু নীলা-বেঙুনীয়া ইত্যাদি।

এজন ডিজাইনাৰৰ বাবে ৰঙৰ নিৰ্বাচনৰ সিদ্ধান্তটো এক গুৰুত্বপূৰ্ণ কলা। সেয়েহে সিদ্ধান্ত লোৱাৰ আগেয়ে, বৰ্ণ সংযোগৰ ফল আৰু প্ৰত্যেক ৰঙে ব্যক্তিগতভাৱে আৰু মিহলি কৰিলে কি প্ৰভাৱ (impact) পৰে, এই কথাষাৰ বিবেচনা কৰাটো আৱশ্যক। যদি দুটা ৰঙৰ সংখ্যাত হয় আৰু যেতিয়া দুয়োটা ৰং একেলগে ব্যৱহাৰ কৰা হয়, তেতিয়া 'কনট্ৰাষ্ট' (contrast) হোৱা বুলি কোৱা হয়। বিপৰীতমুখী বৰ্ণবিলাক ভালকৈ কনট্ৰাষ্ট হয়। যেতিয়া দুটা বৰ্ণৰ পাতল আৰু গাঢ় 'ছেদ'বিলাক ব্যৱহাৰ কৰা হয়, তেতিয়া ভাল 'কনষ্টাষ্ট' হয়। যেনে— শেতা হালধীয়া আৰু গাঢ় ৰঙা। এই কনষ্ট্ৰাষ্ট নীতিৰ উৎকৃষ্ট উদাহৰণ হ'ল ক'লাৰ লগত বগা ৰং ব্যৱহাৰ।

এটা মটিফৰ চাৰিসীমাৰ (out line) ক'লা বা বগা ৰং ব্যৱহাৰ কৰি কনট্ৰাষ্টৰ প্ৰাধান্য দিব পাৰি। এইটো দেখা পোৱা যায় যে বগা সীমাই এটা ৰং গাঢ় কৰে। যদি তুমি এটা নক্সাত ক'লা সীমা দিয়া, তেন্তে ভিতৰৰ নক্সাটো দেখিবলৈ পাতল আৰু উজ্জ্বল হ'ব। বৰ্ণবিলাক ভাগ কৰা ৰেখাডাল ক'লা বা বগা হ'লে প্ৰত্যেকটো ৰং বেছি ধুনীয়া দেখা যায়।

বৰ্ণচক্ৰৰ একে ঠাইৰ ৰংবোৰ একেলগে ব্যৱহৃত হ'লে ভাল দেখি, সেইবিলাকে ঐক্যতাৰ (harmony) সৃষ্টি কৰে।

শেতা হালধীয়া আৰু গাঢ় সেউজীয়া বা শেতা গুলপীয়া আৰু বেঙুনীয়া আদি মিলি থকা (harmonious) ৰঙৰ উদাহৰণ যিবিলাকে মনোমোহা আৰু গাম্ভীৰ্য (gentle) ফুলৰ সৃষ্টি কৰে।

কাৰ্য্য (Actity) ঃ 30.4 ঃ এম্ব্ৰইডেৰী সূতাৰ কদ্‌কাৰ্ড (skeins) ব্যৱহাৰ কৰি 'হাৰমণিয়াচ' আৰু 'কনট্ৰাষ্টিং' সংযোগ (combination) পাবলৈ ৰঙৰ পৰীক্ষা কৰা। তোমাৰ নোটবুকত (Notebook) ৰঙৰ চিত্ৰৰ সহায় লৈ প্ৰত্যেকবিধৰে 5 টাকৈ বৰ্ণৰ সংযোগ (combination) কৰি দেখুওৱা।

পাঠ্যৰ অন্তৰ্গত প্ৰশ্নাৱলী ঃ

I. তলৰ বাক্যবিলাকৰ শুদ্ধ/অশুদ্ধ বাচা ঃ

1. একৰঙী বৰ্ণ আঁচনিত এটা ৰঙৰ টিণ্ট আৰু চেদ (shade) পোৱা যায়।

2. ৰঙা, নীলা-সেউজীয়া আৰু হালধীয়া-সেউজীয়া ৰঙে ট্ৰেটেদ বৰ্ণ আঁচনি সৃষ্টি কৰে।

3. বৰ্ণচক্ৰৰ বিপৰীতমুখী ৰংবিলাকক বিপৰীতমুখী ৰঙৰ আঁচনি বোলে।